## শীলভদ্ৰৰ জন্ম শতবৰ্ষ আলোচনা-চক্ৰত দিগন্ত বিশ্ব শৰ্মা

# ক্ষেত্ৰভিত্তিক পৰিৱেশৰ মাধ্যমেৰে স্বকীয় জগতৰ স্ৰষ্টা আছিল শীলভদ্ৰ




**বিশেষ বাৰ্তা, লখিমপুৰ, ১৪ ফেব্ৰুৱাৰী ঃ** ক্ষেত্ৰভিত্তিক পৰিৱেশৰ মাধ্যমেৰে এখন স্বকীয় জগতৰ স্ৰষ্টা আছিল শীলভদ্ৰ। শীলভদ্ৰ এজন নিপুণ আৰু শক্তিশালী কথা শিল্পী আছিল। তেওঁৰ বৈশিষ্ট্যসমূহৰ ভিতৰত এটা অন্যতম বৈশিষ্ট্য হ'ল মূল ক্ষেত্ৰভিত্তিক পৰিৱেশৰ মাধ্যমেৰে। ক্ষেত্ৰভিত্তিক পৰিৱেশৰ মাধ্যমেৰে তেওঁ এখন স্বকীয় জগতৰ স্ৰষ্টা আছিল। তেওঁৰ সেই স্বকীয় জগতখনৰ নাম আছিল মধুপুৰ। ভাৰতৰ আৰ কে ১০ পৃষ্ঠাত

## ক্ষেত্ৰভিত্তিক পৰিৱেশৰ মাধ্যমেৰে স্বকীয়

নাৰায়ণৰ কল্পনাৰ নগৰী মালগুৰিৰ দৰেই শীলভদ্ৰৰ মধুপুৰক তুলনা কৰিব পাৰি। তেওঁৰ এই সৃষ্টি ক্ষেত্ৰই অসমীয়া সাহিত্যক এক নতুন অভিজ্ঞতাৰ সৈতে পৰিচয় কৰাই দিছে। চৰিত্ৰ আৰু পৰিমণ্ডলৰ সূক্ষ্ম সংমিশ্ৰণ আৰু তাৰ জৰিয়তে বহু অকথিত বৃত্তান্ত দৈনন্দিন জীৱনৰ তেওঁ আমাৰ সন্মুখত উপস্থাপন কৰিছিল। মানৱতাবোধ তেওঁৰ ৰচনাৰ এক প্ৰণিধানযোগ্য বৈশিষ্ট্য। এই বক্তব্য বিশিষ্ট চিন্তাবিদ, লেখক তথা সুবক্তা দিগন্ত বিশ্ব শৰ্মাৰ। নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)ত আজি আয়োজন কৰা এক অনুষ্ঠানত ভাষণ দি তেওঁ এনেদৰে কয়। উল্লেখ্য আজি নৰ্থ লখিমপুৰ কলেজত বিশিষ্ট সাহিত্যিক শীলভদ্ৰৰ জন্ম শতবৰ্ষ উপলক্ষে এখন গাম্ভীৰ্যপূৰ্ণ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। সাহিত্য অকাডেমিৰ উদ্যোগত আৰু কলেজখনৰ অসমীয়া বিভাগৰ সহযোগত অনুষ্ঠিত এই আলোচনা-চক্ৰৰ উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে অধ্যক্ষ ড° বিমান চন্দ্ৰ চেতিয়াই। আদৰণী ভাষণ দিয়ে সাহিত্য অকাডেমিৰ কলকাতাস্থিত আঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া ক্ষেত্ৰবাসী নায়কে। তেওঁ ভাষণত সাহিত্য অকাডেমি বঁটাপ্ৰাপক বিশিষ্ট কথাশিল্পী শীলভদ্ৰৰ অসাধাৰণ প্ৰতিভাৰ প্ৰতি সন্মান জনায়। লগতে তেওঁ নৰ্থ লখিমপুৰ কলেজে অত্যন্ত শ্ৰদ্ধা আৰু আন্তৰিকতাৰে গাম্ভীৰ্যপূৰ্ণভাৱে আলোচনা-চক্ৰখন অনুষ্ঠিত কৰাত সন্তোষ প্ৰকাশ কৰে। আলোচনা-চক্ৰখনৰ পৰিচয়মূলক বক্তৃতা প্ৰদান কৰে সাহিত্য অকাডেমিৰ অসমীয়া উপদেষ্টা পৰিষদৰ আহ্বায়ক তথা বিশিষ্ট চিন্তাবিদ, লেখক দিগন্ত বিশ্ব শৰ্মাই। তেওঁ শীলভদ্ৰৰ সৃষ্টি প্ৰতিভাৰ গভীৰ অন্তৰ্মুখী দিশটোত আলোকপাত কৰে। ভাৰতীয় সাংস্কৃতিক পৰম্পৰাৰ মননশীল বাহক হিচাপে শীলভদ্ৰৰ ৰচনাসমূহত প্ৰকাশ পোৱা সৰলতা আৰু তাৰ মাজতে নিহিত থকা মানৱতাৰ গভীৰ স্বৰূপ সম্পৰ্কে শৰ্মাই মনোগ্ৰাহী ব্যাখ্যা আগবঢ়ায়। শীলভদ্ৰৰ জীৱন পৰিক্ৰমাৰ বিচিত্ৰতা, জন্মস্থানৰ বিশিষ্টতাৰ বিষয়েও আলোকপাত কৰে। তেওঁ ঋষি অৰবিন্দৰ দৰ্শন আৰু চেতনাৰ লগত অনুৰণন শীলভদ্ৰৰ ৰচনাৰ মাজেৰে অনুভৱ কৰে বুলি কয়। দিগন্ত বিশ্ব শৰ্মাই লগতে জনায় যে সাহিত্য অকাডেমিৰ নিয়মীয়া কাৰ্যসূচী অনুষ্ঠান কৰাৰ ক্ষেত্ৰত থকা কিছু অসুবিধা সত্ত্বেও অসমীয়া ভাষাৰ অনুষ্ঠানসমূহ সম্পন্ন কৰিবলৈ চেষ্টা কৰা হৈছে। তেওঁ নৰ্থ লখিমপুৰ কলেজ প্ৰশাসন আৰু অসমীয়া বিভাগৰ গতিশীলতাৰ শলাগ লয়। উদ্বোধনী অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়ায় নৰ্থ লখিমপুৰ কলেজৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° ৰাঘৱ পৰাজুলীয়ে। আলোচনা-চক্ৰখনৰ প্ৰথম সত্ৰৰ সঞ্চালনা কৰে সাহিত্য-সমালোচক তথা নৰ্থ লখিমপুৰ কলেজৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাই। এই সত্ৰত লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকা, নৰ্থ বেংক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা স্বপ্নালী বৰগোহাঁই আৰু পানীগাঁও অ'পিডি মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা বি ডি নিশাই গৱেষণা-পত্ৰ পাঠ কৰে। সঞ্চালকৰ আসনৰ পৰা ড° ৰাজখোৱাই অবিভক্ত গোৱালপাৰা জিলাক অসম আৰু অসমীয়া সত্তাৰ লগত সংপৃক্ত কৰাৰ ক্ষেত্ৰতো শীলভদ্ৰৰ সৃষ্টিৰাজিৰ ভূমিকা আছে বুলি কয়। দ্বিতীয় তথা অন্তিম সত্ৰ সঞ্চালনা কৰে কবি তথা নৰ্থ লখিমপুৰ কলেজৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° ৰাতুল কুমাৰ লাহনে। এই সত্ৰত গৱেষণা-পত্ৰ পাঠ কৰে ক্ৰমে অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰধান সম্পাদক ড° ভাস্কৰ ভূঞা, নৰ্থ লখিমপুৰ কলেজৰ সহকাৰী অধ্যাপিকা ড° বৰ্ণালী বৰা, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° নিপন পাংগিং আৰু নৰ্থ বেংক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° কণজুন বৰাই। আলোচনা-চক্ৰত সামৰণি মন্তব্য আগবঢ়াই সহকাৰী অধ্যাপক ড° ধীৰাজ পাটিৰে।